**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-08-2026 **Time :** 0755 Hrs.

***Assamese Morning Bulletin***

০০০০০০০

নেপালৰ বিধবংসী বানৰ পাছত বৰ্তমানলৈকে ৮৪জন ভাৰতীয় লোকক উদ্ধাৰ কৰা হৈছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। ইয়াৰ ভিতৰত ত্ৰিশূলী জলবিদ্যুৎ প্ৰকল্পত কৰ্মৰত ৬৩জন লোক আৰু তামিলনাডুৰ ২১জন লোক আছে। এতিয়ালৈকে ৩২০জন ভাৰতীয় লোক সন্ধানহীন হৈ আছে বুলি মন্ত্ৰালয়ে জনাইছে। নেপালৰ বানত সন্ধানহীন হোৱা বুলি প্ৰকাশ পোৱা নলবাৰী জিলাৰ পংকজ বৰ্মন আৰু সমৰ বেজবৰুৱা নামৰ লোক দুজন সম্প্ৰতি নিৰাপদে আছে বুলি পৰিয়ালৰ সূত্ৰই প্ৰকাশ কৰিছে। অৱশ্যে এতিয়াও অসমৰ ১০ জন লোকৰ কোনো তথ্য পোৱা হোৱা নাই।

ইপিনে, আকস্মিক বানৰ সময়ত চীনৰ পৰা নেপালত ১৪৯ জন লোক সুৰক্ষিতভাৱে উপস্থিত হোৱাৰ তথ্য পোৱা গৈছে। চীনৰ ফালে প্ৰায় ৪০০জন ভাৰতীয় লোক সুৰক্ষিত অৱস্থাত আছে আৰু ভাৰতীয় দূতাবাসে তেওঁলোকক দেশলৈ ঘূৰাই অনাৰ বাবে কাম কৰি আছে।

ইপিনে, এই বিধবংসী বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৫৭৯ লৈ বৃদ্ধি পাইছে। বানৰ পাছৰে পৰা নেপাল আৰু তীববতৰ সীমান্তৰ দুয়োপাৰে এহেজাৰ ৯২৪ জন লোক সন্ধানহীন হৈ আছে। উদ্ধাৰকাৰী দলসমূহে নদীৰ কাষে কাষে আৰু বিচ্ছিন্ন হৈ থকা অঞ্চলসমূহত উদ্ধাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। নেপালৰ ৰাষ্ট্ৰীয় দুৰ্যোগ আশংকা হ্ৰাস আৰু ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি বৰ্তমানলৈকে ৫৭৯টা মৃতদেহ উদ্ধাৰ কৰা হৈছে আৰু ১০১জন আঘাতপ্ৰাপ্ত লোকৰ চিকিৎসা অব্যাহত আছে। সন্ধানহীন হৈ থকা লোকসকলৰ ভিতৰত জলবিদ্যুৎ প্ৰকল্প, বিদেশী নাগৰিক, অসামৰিক লোক, নিৰাপত্তা বাহিনী আৰু চৰকাৰৰ লোক আছে। জলবিদ্যুৎ প্ৰকল্পৰ পৰা প্ৰায় ৯৩৩জন লোক সন্ধানহীন হৈ থকা বুলি জানিব পৰা গৈছে। ০০০০০০

ইপিনে, ভাৰতে মানৱীয় সাহায্য হিচাপে কালি কাঠমাণ্ডুলৈ তৃতীয়খন বিমানেৰে ১০ টন সাহায্য সামগ্ৰী প্ৰেৰণ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে প্ৰকাশ কৰা মতে সাহায্য সামগ্ৰীৰ ভিতৰত পোৰ্টেবল জেনেৰেটৰ, খাদ্যৰ টোপোলা, পানী পৰিশোধন টেবলেট আদি আছে।

বিদেশ মন্ত্ৰ্যালয়ে নিখোজ হৈ থকা লোকসকলক বিচাৰি উলিওৱা আৰু উদ্ধাৰ অভিযানত সহায় কৰাৰ উদ্দেশ্যে অহৰ্নিশে খোলা থকা এটা নিয়ন্ত্ৰণ কক্ষ মুকলি কৰিছে।

০০০০০০০

জলসম্পদ মন্ত্ৰী সুশান্ত বৰগোঁহাইয়ে কালি বোকাখাতৰ ভাটি শিঙাদৰিয়া অঞ্চল পৰিদৰ্শন কৰি ধনশিৰি নৈৰ খহনীয়াৰ বুজ লয়। পৰিদৰ্শনৰ অন্তত মন্ত্ৰীগৰাকীয়ে জলসম্পদ বিভাগৰ জৰিয়তে ধনশিৰি নৈৰ খহনীয়া প্ৰতিৰোধ কৰাৰ বাবে গ্ৰহণ কৰা আঁচনি সন্দৰ্ভত ৰাইজক অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে ধনশিৰি নৈৰ খহনীয়া প্ৰতিৰোধৰ বাবে ইতিমধ্যে বিভাগে আঁচনিৰ প্ৰাক্কলন প্ৰস্তুত কৰিছে। তদুপৰি বিশ্ব বেংকৰ অৰ্থসাহায্যৰ জৰিয়তে ৰাজ্য চৰকাৰে নৈখনৰ বান প্ৰতিৰোধৰ বাবে বৃহৎ প্ৰকল্প গ্ৰহণ

কৰাৰ কথাও তেওঁ উল্লেখ কৰে। শ্ৰীবৰগোঁহাইয়ে  কয যে ধনশিৰি নৈৰ বান ৰোধৰ বাবে চৰকাৰে নাগালেণ্ডৰ পৰা ব্ৰহ্মপুত্ৰত নৈখন সংযোগ হোৱা স্থানলৈকে বৃহৎ প্ৰকল্প গ্ৰহণ কৰিছে। প্ৰায় ৪০০ কোটি টকাৰ এই প্ৰকল্পৰ জৰিয়তে ধনশিৰি নৈৰ উপনৈসমূহকো সামৰি লোৱা হ'ব বুলি তেওঁ কয়। এই বৃহৎ প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈ উঠিলে নৈপৰীয়া ৰাইজৰ বান সমস্যা সমাধান হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

বাইট (সুশান্ত)

০০০০০০০

ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি ডিব্ৰুগড়ৰ ডিব্ৰু মহাবিদ্যালয়ত কালি বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° ৰঞ্জন চাংমাই সুধাকণ্ঠৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী আৰম্ভ কৰে। অনুষ্ঠানত কেন্দ্ৰীয় গ্ৰন্থাগাৰৰ পৰা প্ৰকাশিত আৰু গ্ৰন্থাগাৰিক দিপীকা দাসৰ দ্বাৰা সম্পাদিত বছৰেকীয়া গৱেষণাধৰ্মী আলোচনী গ্ৰন্থ কুটিৰৰ একাদশ সংখ্যা উন্মোচন কৰা হয়। অনুষ্ঠানত সমল ব্যক্তি হিচাপে অংশ লৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ সহকাৰী অধ্যাপক অৰুণ হাজৰিকাই গীত আৰু কথাৰে ড° ভূপেন হাজৰিকাৰ গীতত গণ চেতনা শীৰ্ষক বক্তব্য আগবঢ়ায়।

০০০০০০০

যোৰহাট জিলা কৃষি বিভাগৰ উদ্যোগত কৃষি চক্ৰসমূহত ডিজিটেল প্ৰক্ৰিয়াৰে সাৰ ক্ৰয়ৰ সহজ আৰু সু-সংগঠিত ব্যৱস্থা কালি আৰম্ভ হয়। ইয়াৰ জৰিয়তে কৃষকসকলে নিজৰ প্ৰয়োজন অনুসৰি বিভিন্ন সাৰ নিৰ্ধাৰিত পৰিমাণত ক্ৰয় কৰিব পাৰিব। প্ৰথমে কৃষকসকলে সাৰ ক্ৰয়ৰ পূৰ্বে আধাৰ অ'টিপি, ই-কে ৱাই চি, কৃষক পৰিচয় পত্ৰ আৰু ভূমিৰ তথ্য দাখিল কৰাটো বাঞ্চনীয়। ইয়াৰ পাছত তেওঁলোকে কৃষিভূমিৰ প্ৰয়োজন অনুসৰি সাৰৰ প্ৰকাৰ আৰু পৰিমাণ নিৰ্ধাৰণ কৰি স্থানীয় অনুমোদিত সাৰ বিক্ৰেতাৰ দোকান বাছনি কৰিব পাৰিব। জনসাধাৰণক এই ডিজিটেল ব্যৱস্থাৰ সুবিধা গ্ৰহণ কৰি শৃংখলিতভাৱে সাৰ ক্ৰয় কৰিবলৈ জিলা কৃষি বিষয়াই আহ্বান জনাইছে।

০০০০০০০

মুখ্যমন্ত্ৰীৰ নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ বাবে ছাত্ৰ-ছাত্ৰীৰ আধাৰ নম্বৰ বাধ্যতামূলক কৰা হৈছে। অসম চৰকাৰৰ উচ্চ শিক্ষা সঞ্চালকালয়ে এই সন্দৰ্ভত এটা নিৰ্দেশ জাৰি কৰিছে। অৱশ্যে ১৮ বছৰ অনুৰ্দ্ধৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত নতুনকৈ আধাৰ কাৰ্ড প্ৰদান ব্যৱস্থা ৰাজ্য চৰকাৰে বন্ধ ৰখাৰ পৰিপ্ৰেক্ষিতত উচ্চ শিক্ষা সঞ্চালকালয়ে বিশেষ প্ৰক্ৰিয়াৰ মাজেৰে এই আঁচনিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক আধাৰ কাৰ্ড প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই সন্দৰ্ভত নিৰ্দেশটোত উল্লেখ কৰা অনুসৰি আধাৰ কাৰ্ড নথকা শিক্ষাৰ্থীসকলৰ যাৱতীয় তথ্যসমূহ শিক্ষানুষ্ঠানৰ মুৰববীয়ে জিলা আয়ুক্তৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰিব লাগিব। এনেদৰে আধাৰ কাৰ্ড লাভ কৰাৰ পাছতহে ছাত্ৰ-ছাত্ৰীসকলে নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ বাবে আবেদন কৰিব পাৰিব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

০০০০০০

সমাপ্ত